1983
Printed at the Assam Government Press
Gauhati.

# বাজেট বক্তৃতা

# ১৯৮৩-৮৪

শ্ৰীমহম্মদ ইদ্ৰিছ

বিত্ত মন্ত্ৰী, অসম

২২ মাৰ্চ, ১৯৮৩

মাননীয় অধ্যক্ষ মহোদয়,

১৯৮৩-৮৪ চনৰ বছৰটোৰ বাবে মই বাৰ্ষিক বিত্তীয় বিৱৰণখন দাঙি ধৰিব খুজিছোঁ।

২। মই ১৯৮৩-৮৪ চনৰ গোটেই বছৰটোৰ বাবে বিত্তীয় বিৱৰণ দাঙি ধৰিছোঁ। যদিও ১৯৮৩ চনৰ এপ্ৰিলমাহৰ পৰা চেপ্তেম্বৰ মাহলৈ, এই ছমাহৰ বাবেহে মই মাননীয় সদস্যসকলৰ পৰা বিত্তীয় অনুমোদন ( vote on account ) বিচাৰিব খুজিছোঁ ।

৩। মাত্ৰ তিনি সপ্তাহৰ আগতে কাৰ্যভাৰ গ্ৰহণ কৰা বৰ্ত্তমান চৰকাৰৰ প্ৰধান কৰ্ত্তব্য হ'ল ৰাজ্যখনত হৈ যোৱা অভূতপূৰ্ব হিংসাত্মক ঘটনাৰ ফলত ভালেসংখ্যক লোকৰ প্ৰাণহানি, সম্পত্তিৰ বিনাশ আৰু বহুতো লোক গৃহহীন হোৱা ৰাজ্যখনলৈ স্বাভাবিক অৱস্থা ঘূৰাই অনা। সেয়ে সাহায্য আৰু পুনৰ সংস্থাপন কৰা কামত সবাতোকৈ অগ্ৰাধিকাৰ দিবলগীয়া হৈছে আৰু এই ব্যৱস্থাৱলী যুদ্ধকালীন ক্ষিপ্ৰতাৰে হাতত লোৱা হৈছে। একেদৰেই হিংসাত্মক ঘটনা পুনৰ সংঘটিত হোৱাটো প্ৰতিৰোধ কৰা আৰু জনসাধাৰণৰ মনলৈ আস্থা তথা নিৰাপত্তা ঘূৰাই অনাটোও অপৰিহাৰ্য হৈ পৰিছে।

৪। সুদীৰ্ঘ আন্দোলন, বন্ধ, অসহযোগ আদিৰ কাৰণে ইতিমধ্যে বাধাগ্ৰস্ত হোৱা ৰাজ্যৰ অৰ্থনীতিত অশান্ত পৰিবেশেও কুঠাৰাঘাত কৰিছে। অলপতে সমগ্ৰ ৰাজ্য জুৰি সংঘটিত হোৱা হিংসাত্মক ঘটনাৰ পৰিপ্ৰেক্ষিতত বিভাগসমূহৰ উন্নয়নমূলক কামকাজসমূহো বেয়াকৈ ক্ষতিগ্ৰস্ত হয় আৰু প্ৰায় অচল হৈ পৰে।

ৰাজ্যিক আয়

৫। বছৰটোত নানা আলৈ-আহুকাল সত্বেও কেতবোৰ ঘাই ঘাই খণ্ডত কিছু প্ৰগতি সাধনো সম্ভৱ হৈছে। এটা থূলমূল হিচাপত দেখা যায় যে ৰাজ্যখনৰ ঘৰুৱা উৎপাদন (এছ-ডি-পি) চলিত মূল্যত ১৯৮০-৮১ চনৰ (সাম্প্ৰতিক) ২৩৯৮ কোটি টকাৰ পৰা ১৬·৭ শতাংশ বাঢ়ি গৈ ১৯৮১-৮২ (দ্ৰুত হিচাপমতে) চনত ২৭৯৮ কোটি টকা হয়গৈ। ১৯৭০-৭১ চনৰ স্থিৰমূল্যত ৰাজ্যখনৰ এছ-ডি-পি ১·১ শতাংশ বাঢ়ি ১৯৮০-৮১ চনৰ বছৰটোৰ ১০৯৫ কোটি টকাৰপৰা (সাম্প্ৰতিক) ১৯৮১-৮২ বছৰটোত (দ্ৰুত হিচাপমতে ১১০৭ কোটি টকা হয়গৈ। সেই সময়ছোৱাতে চলিত মূল্যত জনমূৰি আয় ১২২১ টকাৰ পৰা ১৩৮০ টকালৈ বৃদ্ধি পায়। আনহাতে স্থিৰ মূল্যত (১৯৭০-৭১) জনমূৰি আয় ১৯৮০-৮১ চনৰ বছৰটোৰ ৫৫৮ টকাৰপৰা ১৯৮১-৮২ চনৰ বছৰটোত ৫৪৬ টকালৈ হ্ৰাস পায়। ইয়াৰ পৰা চলিত বছৰত ৰাজ্যখনৰ ঘৰুৱা উৎপাদনৰ গতি অব্যাহত থকাৰ ইঙ্গিত পোৱা যায়।

কৃষি

৬। শ্ৰমশক্তিৰ দুই-তৃতীয়াংশতকৈও অধিক লোক নিয়োজিত জনসাধাৰণৰ শতকৰা ৭০ ভাগতকৈ অধিক লোকৰ জীৱিকা নিৰ্বাহৰ উপায় স্বৰূপ কৃষি ব্যৱস্থাত পৰম্পৰাগত মাটিৰ ভাগ বাটোৱাৰাৰ কুফল, কম ব্যৱহাৰ আৰু জলসিঞ্চনৰ সা-সুবিধাৰ অভাৱত ভোগা দেখা অৱশ্যে বছৰটোৰ ভিতৰত ৰাজ্যখনৰ খেতি পথাৰৰ উৎপাদনত জনক উন্নতি পৰিলক্ষিত হৈছে। ঘাইকৈ অনুকূল বতৰৰ বাবেই ১৯৮ চনৰ বছৰটোত খাদ্য-শস্যৰ উৎপাদন ২৭ লাখ টনলৈ বৃদ্ধি পাই স্থাপন কৰে। অৱশ্যে ১৯৮১-৮২ চনৰ বছৰটোত উৎপাদন ২৪·৩ লাখ হ্ৰাস পায়। কিন্তু ১৯৮২-৮৩ চনৰ বছৰটোত ই প্ৰায় ৩১ লাখ টন হবৰ আশা কৰা যায়। ১৯৮০-৮১ চনত ধানৰ উৎপাদন হৈছিল প্ৰায় ২৫ লাখ পিছৰ বছৰত ধানৰ উৎপাদন ২২·৫ লাখ টনলৈ কমি যায় ১৯৮২-৮৩ ত ১৯৮০-৮১ চনত লাভ কৰা লক্ষ্যত উপনীত হোৱাৰ সম্ভ আছে। ১৯৮২-৮৩ চনৰ বছৰটোত মৰাপাট, কুঁহিয়াৰ, ডাইল তৈলবীজৰ উৎপাদনো ভাল হোৱাৰ সম্ভাৱনা আছে।

৭। কৃষি উৎপাদন সূচী (ভিত্তি ঃ ১৯৬৯-৭০ ত শেষ হোৱা ত্ৰিবৰ্ষ = ১৯৮০-৮১ চনৰ বছৰটোৰ ১৩৮ ৰ পৰা ১৯৮১-৮২ চনত ১৩১ লৈ যায়। কিন্তু ১৯৮২-৮৩ চনত ১৩৮ তকৈও বেছি হোৱাৰ সম্ভাৱনা আছে

উদ্যোগ

৮। খৰতকীয়া ঔদ্যোগিক উন্নয়নৰ বাবে বিনিয়োগৰ প্ৰতি আকৃষ্ট নতুন উদ্যোগ স্থাপনত উদগনি যোগোৱাৰ লগতে ৰাজ্যখনত বৰ্ত্তমানে উদ্যোগ সমূহৰ সম্প্ৰসাৰণ তথা ভিন্নমুখী কৰি তুলিবলৈ ৰাজ্য চৰক এখন পেকেজ আঁচনি ঘোষণা কৰিছে। এই পেকেজ আঁচনিত সন্নি উদগনি সমূহ হ'ল—সম্ভাব্য প্ৰতিবেদন প্ৰস্তুতি, ঔদ্যোগিক গৃহ নিৰ্মাণৰ চৰকাৰী সাহায্য, ন-ন উদ্যোগৰ লগতে সম্প্ৰসাৰণ ভিন্নমুখী কৰিবলৈ বৰ্ত্তমানৰ গোট সমূহৰ বাবে ৰেহাইমূলক বিদ্যুৎ শুল্ক ( power tari কেঁচামাল ক্ৰয় আৰু তৈয়াৰী বস্তু বিক্ৰীৰ ক্ষেত্ৰত বিক্ৰী কৰ ৰেহাই, ৰা খনৰ অঘোষিত অনুন্নত জিলাসমূহত বাণিজ্যিক উৎপাদনৰ প্ৰথম পাঁচবছৰ বাবে কেন্দ্ৰীয় বিনিয়োগ সাহায্যৰ লেখীয়া মূলধন বিনিয়োগ সাহায্য ঔদ্যোগিক অঞ্চলসমূহত আবন্টন অথবা উন্নয়ণ ঋণ আগবঢ়োৱা। ১৯৮ চনৰ ১৫ অকটোবৰৰ পৰা এই আঁচনি কাৰ্যকৰী কৰা হয়। নতুন উদগ সমূহেও ৰাজ্যখনৰ ঔদোগিক বিকাশৰ গতি উৰ্দ্ধমুখী কৰিব বুলি আশা হৈছে। বঙাইগাওঁ শোধনাগাৰ পেট্ৰোকেমিকেল লিমিটেডৰ ( B.R.P.L. আনুষঙ্গিক উৎপাদিত দ্ৰব্যৰ ভিত্তিত উদ্যোগ স্থাপন কৰাতো অগ্ৰাধিক দিয়া হৈছে। বি আৰ পি এলৰ পৰা পাব পৰা পলিয়েষ্টাৰ আঁহৰ ভিত্তি পাঁচটা সুতা কটা কল বহুৱাৰ ব্যৱস্থা কৰা হৈছে। অসম ৰাজ্যিক বস্ত্ৰ শি নিগমৰ সূতাকটা কলটো ১৯৮৪ চনৰ ডিচেম্বৰ মাহত সম্পূৰ্ণ হৈ উঠি সমবায় খণ্ডতো দুটা সূতা কটা কল সম্পূৰ্ণ হোৱাৰ পথত।

৯। বছৰটোৰ ভিতৰত ৰাসায়নিক সাৰ, প্লাইউড,জুইশলা আৰু পেট্ৰো জাত সামগ্ৰীৰ উৎপাদন বৃদ্ধি হোৱাটো পৰিলক্ষিত হলেও বছৰটোৰ প্ৰথ ৬ মাহত মৰাপাট বস্ত্ৰ আৰু কাগজ উৎপাদনৰ গতি অতি মন্থৰ হো দেখা যায়। বছৰৰ প্ৰথম ৯ মাহৰ বাবে পোৱা তথ্য মতে ১৯৮১-৮

চনৰ তুলনাত ১৯৮২–৮৩ চনত চাহৰ উৎপাদন কিছু কম হব পাবে। খনি-জাত সামগ্ৰীৰ ক্ষেত্ৰত কয়লা আৰু পেট্ৰোলিয়ামজাত সামগ্ৰীৰ উৎপাদন ভালেখিনি বৃদ্ধি পাব পাৰে কিন্ত প্ৰাকৃতিক গেচ আৰু চুনশিলৰ উৎপাদন কমাৰ সম্ভাৱনা আছে। ঔদোগিক উৎপাদনৰ সাধাৰণ সূচী (১৯৭০=১০০) ১৯৮০ চনৰ ১২৩ৰ পৰা ১৯৮১ চনত ১৪৫ লৈ বৃদ্ধি পায় আৰু ১৯৮২ চনত ই আৰু বৃদ্ধি পাব বুলি আশা কৰা গৈছে।

শক্তি

১০। বিজুলী উৎপাদনৰ ক্ষেত্ৰতো কিছু উন্নতি পৰিলক্ষিত হৈছে। ১৯৮০-৮১ চনৰ শেষৰ ফালে বিজুলী শক্তিৰ প্ৰতিষ্ঠিত সামৰ্থ্য আছিল ২২১.৫ মেগাৱাট। ১৯৮১-৮২ চনৰ শেষলৈ ইয়াক ৩১২.৫ মেগাৱাটলৈ বৃদ্ধি কৰা হয় আৰু ১৯৮২-৮৩ চনৰ বাবে প্ৰতিষ্ঠিত সৰাবৰাহ সামৰ্থ্যৰ লক্ষ্য ৩৫১.৫ মেগা-ৱাটত স্থিৰ কৰা হৈছে। বিজুলী সৰাবৰাহো ১৯৮০-৮১ চনৰ পৰা ১৯৮১-৮২ চনলৈ ক্ৰমে ৪৪৭ নিযুত কিলোৱাটৰ পৰা ৬৮৫ নিযুত কিলোৱাটলৈ বৃদ্ধি কৰা হৈছে। ১৯৮২-৮৩ চনৰ বাবে এই লক্ষ্য হল ১৩১৮ নিযুত কিলোৱাট। একেদৰে, গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনিৰ অধীনত ১৯৮৩-৮৪ চনৰ শেষত মুঠতে ৮৮০০ খন গাওঁ সামৰি লব বুলি আশা কৰা হৈছে।

পশুপালন

১১। পশু পালন আৰু পশু চিকিৎসাৰ ক্ষেত্ৰত গৰু মহৰ উন্নয়ণ মূলক আঁচনিৰ প্ৰতি অধিক অগ্ৰাধিকাৰ দিয়া গৈছে যাতে পৰিয়ালৰ আয়ৰ নতুন পথ মুকলি হয় আৰু লগতে গাখীৰ আৰু গাখীৰজাত সামগ্ৰীৰ উৎপাদনো বৃদ্ধি পায়। দ্বিতীয়তে অগ্ৰাধিকাৰ দিয়া হৈছে পশু চিকিৎসা সেৱা আৰু পশু স্বাস্থ্য আঁচনিত আৰু তৃতীয়তে অগ্ৰাধিকাৰ দিয়া হৈছে গাহৰি উন্নয়ন আঁচনিত। পাৰ্বত্য জিলা দুখনতো গাখীৰৰ উৎপাদন যথেষ্টখিনি বৃদ্ধি পাইছে।

পৰিকল্পনা আবণ্টন

১২। এই কথা সদনৰ মাননীয় সদস্যসকলৰ অবিদিত নহয় যে ষষ্ঠ পৰি-কল্পনাৰ বাবে ৰাজ্য চৰকাৰে মুঠ ব্যয়ৰ পৰিমাণ ১৬০০ কৌটি টকা হব লাগে বুলি প্ৰস্তাব দিছিল যদিও পৰিকল্পনা আয়োগে সাময়িক ভাবে এই পৰিমাণ ১১১৫ কৌটি টকা হব লাগে বুলি স্থিৰ কৰে (ভবিষ্যতে এই পৰিমাণ সলনি হব পাৰে)। ৰাজ্য চৰকাৰে ১৯৮২-৮৩ চনৰ বাবে দাখিল কৰা খচৰা বাৰ্ষিক পৰিকল্পনাৰ পৰিমাণ আছিল ৩০২.৩৬ কৌটি টকা; ইয়াৰ বিপৰীতে পৰিকল্পনা আয়োগে এই পৰিমাণ ২৩৮ কৌটি টকাত স্থিৰ কৰিছে। তাৰে ২২১ কৌটি টকা সাধাৰণ খণ্ডৰ বাবে আৰু ১৭ কৌটি টকা পাৰ্বত্য খণ্ডৰ বাবে। জনজাতীয় উপ-পৰিকল্পনাৰ বাবে ২৪.৬৫ কৌটি টকা আৰু অনুসূচীত জাতিৰ পৰিকল্পনাৰ বাবে ৪.৬৩ কৌটি টকা ধাৰ্য্য কৰা হৈছে। ন্যুনতম প্ৰয়োজনীয়তা আঁচনিৰ বাবে ধাৰ্য্য কৰা পৰিমাণ হ'ল সাধাৰণ খণ্ডৰ বাবে ৩০.৫৫ কোটি টকা আৰু পাৰ্বত্য খণ্ডৰ বাবে ৪.৩৩ কোটি টকা। পাৰ্বত্য খণ্ডৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা ১৩.৭০ কোটি টকাৰ বিশেষ সাহায্য পোৱাৰ উপৰিও জনজাতীয় উপ-পৰিকল্পনা আৰু অনুসূচীত জাতিৰ পৰিকল্পনাৰ বাবেও ভাৰত চৰকাৰৰ পৰা সাহায্য পোৱাৰ সম্ভাৱনা আছে। বাৰ্ষিক পৰিকল্পনাৰ কাৰণে ধাৰ্য্য কৰা ২৩৮ কোটি টকাৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰৰ সাহায্য ২২৫.৯৩ কোটি টকা হব বুলি আশা কৰা হৈছে।

১৩। ১৯৮৩-৮৪ চনৰ বাৰ্ষিক পৰিকল্পনাৰ সন্দৰ্ভত যোৱা ১৬ আৰু ১৭ মাৰ্চত মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় পৰিকল্পনা মন্ত্ৰীৰ লগত আলোচনা কৰে। সেই আলোচনাই ১৯৮৩-৮৪ চনৰ পৰিকল্পনা আবণ্টন ২৯১ কোটি টকা হবগৈ বুলি ইঙ্গিত দিয়ে। যিহেতু বাৰ্ষিক পৰিকল্পনা চূড়ান্ত কৰাৰ পূৰ্বে বাজেটখন প্ৰস্তুত কৰা হৈছিল সেয়ে চলিত বছৰৰ আবণ্টণ অহা বছৰৰ বাজেট প্ৰাক কলনৰ বাবে ৰাখি থোৱা হৈছে। অতিৰিক্ত আবণ্টন সামৰি লবৰ বাবে যথা সময়ত মই সদনক জনাম।

বান সাহায্য

১৪। যদিও আমি বানপানীৰে সহ-অৱস্থান কৰিবলৈ শিকিছোঁ, ৰাজ্যৰ আৰ্থিক অৱস্থাৰ ওপৰত ইয়াৰ অশুভ প্ৰভাৱ হ্ৰাস পোৱা নাই। ১৯৮২ চনৰ জুন মাহৰ পৰা ক্ৰমে দেখা দিয়া তিনিটাকৈ বানপানীয়ে মানুহৰ জীৱন আৰু সম্পত্তি ব্যাপক ভাবে বিনাশ কৰিলে। এই দুৰ্যোগে কিমান দূৰ ক্ষতিসাধন কৰিলে তাৰ বুজ স্থানীয় ভাবে লবৰ বাবে কেন্দ্ৰীয় এটা দলে ১৯৮২ চনৰ অকটোবৰ মাহত ৰাজ্যখনলৈ আহে। এই দলটোৰ অনুমোদন সাপেক্ষে ভাৰত চৰকাৰে ৯.৪৭ কোটি টকা ব্যয়ৰ সৰ্বোচ্চসীমা ধাৰ্য্য কৰিবলৈ মান্তি হয়। এই টকাৰ ৩.৪৬ কোটি টকা ৭ম বিত্তীয় আয়োগে একান্ত ধন ( margin money ) হিচাপে আগবঢ়োৱা টকাৰ সৈতে প্ৰাথমিক ভাবে সংযোজন কৰা হব। বাকী টকাৰ শতকৰা ৭৫ ভাগ থিতাতে দিয়া মঞ্জুৰী হিচাপে কেন্দ্ৰই দিব আৰু বাকী শতকৰা ২৫ ভাগৰ বাবে ৰাজ্য চৰকাৰ দায়বদ্ধ থাকিব। অলপতে সংঘটিত হোৱা ব্যাপক হিংসাত্মক ঘটনাৱলীয়েও ৰাজ্যখনৰ আলিবাট, দলং আৰু সম্পত্তিৰ বিস্তৰ ক্ষতিসাধন কৰিলে। এই সন্দৰ্ভত সাহায্য আৰু পূৰ্ণসংস্থাপন আৰু যোগাযোগ বা যাতায়াত পুনৰ প্ৰতিষ্ঠাৰ বাবে ব্যয়ৰ পৰিমাণ বুজনেই হ'ব।

নিয়োগ পৰিস্থিতি

১৫। বছৰৰ পিছত বছৰ ধৰি নিবনুৱা লোকৰ সংখ্যা বাঢ়ি গৈ সম্প্ৰতি এই সমস্যাই ব্যাপক ৰূপ ধাৰণ কৰিছে। নিয়োগ বিনিময় কেন্দ্ৰৰ চলন্ত পঞ্জীৰ পৰা দেখা যায় যে ১৯৮২ চনৰ এপ্ৰিল মাহত চাকৰি প্ৰাৰ্থীৰ সংখ্যা আছিল ৩৭৪ লাখ আৰু শিক্ষিত নিবনুৱাৰ হাৰ আছিল ৪২ শতাংশ। ইয়াৰে অনুসূচীত জাতি আৰু জনজাতীয় লোকৰ সংখ্যা হ'ল ক্ৰমান্বয়ে প্ৰায় শতকৰা ৫ আৰু শতকৰা ৭ ভাগ। ১৯৮২ চনৰ মাৰ্চ্চৰ শেষত সংগঠিত খণ্ডত নিয়োজিত লোকৰ সংখ্যা আগৰ বছৰৰ অনুৰূপ সময়ছোৱাৰ ৮.৫৬ লাখৰ বিপৰীতে হৈছিলগৈ ৮.৬০ লাখ।

বিত্তীয় অনুষ্ঠান

১৬। অসমলৈ ঋণদানকাৰী অনুষ্ঠান সমূহে দিয়া সাহায্য অন্যান্য ৰাজ্যৰ তুলনাত অতিশয় কম। ১৯৮২ চনৰ মাৰ্চ মাহত জমাৰ অনুপাত আছিল মুঠতে শতকৰা ৪৬.৮। ঋণ-দানকাৰী অনুষ্ঠান সমূহে পূৰণ নকৰা অভাৱ ৰাজ্যখনে বিশদভাবে পূৰণ কৰিব লগা হয়। যোৱা কেইবছৰমান ধৰি এই অসুবিধা দূৰ কৰাত ৰাজ্যখন বহুখিনি আগবাঢ়িছে। তালিকাভুক্ত বাণিজ্যিক বেঙ্কৰ কাৰ্য্যালয়ৰ সংখ্যা ১৯৮১ চনৰ জুন মাহৰ ৫০৭ টাৰ পৰিবৰ্তে ১৯৮২ চনৰ জুন মাহত ৫৬২ টা লৈ বৃদ্ধি পায়। ইয়াৰ বাহিৰেও ১৯৮২ চনৰ জুন মাহলৈকে ৰাজ্যখনৰ ৫ টা আঞ্চলিক গাঁৱলীয়া বেংকে ৮৯ টা শাখাৰে সমগ্ৰ গ্ৰাম্য অঞ্চলত বিস্তৃতি লাভ কৰে।

মূল্য পাৰিস্থিতি ১৭। ৰাজ্যৰ অৰ্থনীতি ৰাষ্ট্ৰীয় অৰ্থনীতিৰ এক অবিচ্ছেদ্য অঙ্গ আৰু ই ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ ঘটনাৱলীৰ ওপৰত গঢ় লৈ উঠে। ৰাষ্ট্ৰীয় অৰ্থ-নীতিত মূল্য বৃদ্ধিয়ে পেলোৱা প্ৰভাৱে ৰাজ্যখনৰ মূল্যমানতো প্ৰভাব পেলায় আৰু স্থানীয় কাৰণ সমূহৰ ফলত ইয়াৰ উৰ্দ্ধমুখী গতি অব্যাহত থাকে। এই প্ৰক্ৰিয়া বিপৰীতমুখী কৰিবলৈ ৰাজ্য চৰকাৰৰ অসমৰ্থতা সম্পূৰ্ণ ভাবে অৱস্থাৰ দ্বাৰা সীমিত । ১৯৮১ চনত সাধাৰণ পাইকাৰী মূল্যসূচী ৫৫৯ পৰিবৰ্ত্তে ১৯৮২ চনত শতকৰা ৬ ভাগ বৃদ্ধি হৈ ৫৯১ লৈ বৃদ্ধি পায় । এই বৃদ্ধি অনাখাদ্য সামগ্ৰীৰ ক্ষেত্ৰত পৰিলক্ষিত হৈছিল । ১৯৮১ চনৰ তুলনাত ১৯৮২ চনত শ্ৰমিক শ্ৰেণীৰ গ্ৰাহক মূল্য সূচী শতকৰা ৭ ভাগলৈ বৃদ্ধি পায়।

কুৰিদফা কাৰ্য্যসূচী ১৮। ১৯৮২ চনৰ জানুৱাৰী মাহত প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰা কুৰি-দফা কাৰ্য্যসূচীয়ে নতুন আশা-আকাঙক্ষাৰ সৃষ্টি কৰে। অসমৰ দৰে অৰ্থ-নৈতিক অনগ্ৰসৰ ৰাজ্য এখনৰ বাবে কেতবোৰ কাৰ্য্যসূচী যেনে ৰাষ্ট্ৰীয় গ্ৰাম্য উন্নয়ন কাৰ্য্যসূচী, ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ কাৰ্য্যসূচী ,গ্ৰাম্য পানী যোগান আঁচনি, প্ৰাথমিক স্বাস্থ্য সেৱা, প্ৰাথমিক শিক্ষা আদিয়ে বিশেষ গুৰুত্ব লাভ কৰে। প্ৰকৃততে দৰিদ্ৰতা দূৰীকৰণৰ অৰ্থে কুৰি দফা কাৰ্য্যসূচী প্ৰস্তুত কৰা হৈছে। কেতবোৰ কাৰ্য্যসূচী উৎপাদন বৃদ্ধিৰ উদ্দেশ্যে আৰু কেতবোৰ কাৰ্য্যসূচী নিয়োগৰ পৰিসৰ বৃদ্ধি কৰা আৰু সামাজিক সা-সুবিধা বৃদ্ধি কৰাৰ বাবে গ্ৰহণ কৰা হৈছে। এনে ধৰণৰ কাৰ্য্যসূচী প্ৰয়োগ কৰিবৰ বাবে বাৰ্ষিক পৰিকল্পনা ব্যয়ৰ শতকৰা ৭৫ ভাগ আচুতীয়া কৰি ৰখা হৈছে। দফা ভিত্তিক লক্ষ্যসমূহ ইতিমধ্যে বাচি উলিওৱা হৈছে আৰু ইয়াৰ সুফল যাতে সকলোৱে সমভাবে পাব পাৰে তাকে সুনিশ্চিত কৰিবলৈ জিলা আৰু মহকুমা ভিত্তিত ভাগ কৰা হৈছে।

১৯। মহোদয়, মই এতিয়া মাননীয় সদস্যবৃন্দক বাজেটৰ অৱস্থা সম্পৰ্কে অৱগত কৰিব খোঁজো ।

হিচাপ ১৯৮১-৮২ ২০। অসম চৰকাৰৰ ১৯৮২-৮৩ চনৰ অন্তঃৱৰ্ত্তীকালীন বাজেটখন ভোট অন একাউন্টেৰে সৈতে ১৯৮২ চনৰ মাৰ্চ মাহতে সংসদত উৎথাপন কৰা হৈছিল। তাৰ ঠিক পিছতে ১৯৮২ চনৰ জুলাই মাহত সংসদত ১৯৮২-৮৩ চনৰ সংশোধিত বাজেটখন পেশ কৰা হৈছিল। ১৯৮২ চনৰ জুলাই মাহত চলিত বছৰৰ বাজেট দাখিল কৰোতে ১৯৮১-৮২ চনৰ বাবে আনুমানিক সামৰণি উদবৃত্ত আছিল ঋণাত্মক ৯৫·৭৪ কোটি টকা। কিন্তু ১৯৮২ চনৰ ৩১ মাৰ্চ তাৰিখলৈকে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ লগত থকা সাময়িক হিচাপ-(Provisional Accounts) মতে ১৯৮২-৮৩ চনৰ আৰম্ভণি উদবৃত্ত সেই সময়ত ঋণাত্মক ১২৭·৪৩ কোটি টকা দেখুৱা হৈছিল ।১৯৮১-৮২ চনৰ হিচাপে এতিয়া ঋণাত্মক ২০·৯৬ কোটি টকাৰ সামৰণি উদ্‌বৃত্ত দেখুৱায়। অৱশ্যে বছৰটোৰ প্ৰকৃত ঘাটি আৰু বেছি কিয়নো ইয়াৰ ভিতৰত ভাৰ-তীয় ৰিজাৰ্ভ বেংকৰ পৰা ১৯৮১-৮২ ৰ হিচাপত অভাৰড্ৰাফট দেনা

(outstanding overdraft) আৰু আগধনৰ হিচাপত সৰ্বমুঠ ১২৭·৪৩ কোটি টকাৰ পৰিশোধ নকৰা ঋণো (undischarged liabilities) সোমাই আছে।

বাজেট ১৯৮২-৮৩

২১। ১।৪।১৯৮২ তাৰিখলৈ থকা অভাৰ ড্ৰাফট পৰিশোধ কৰিবৰ বাবে চলিত বিত্তীয় বছৰত ১৯৮২ চনৰ জুন মাহত ভাৰত চৰকাৰে ১২৭·৪৩ কোটি টকাৰ বিশেষ ঋণ মঞ্জুৰ কৰে। এই বিশেষ ঋণ জমা হোৱাৰ পিছত চলিত বছৰটো(১৯৮২-৮৩) ঋণাত্মক ১৪·৬৭ কোটি টকাৰ ব্যৱধানেৰে সামৰণি পৰিব বুলি অনুমান কৰা হৈছিল।

সংশোধিত প্ৰাক্কলন ১৯৮২-৮৩

২২। চলিত বছৰৰ (১৯৮২-৮৩) সংশোধিত প্ৰাককলনে এতিয়া দেখুৱাইছে যে বছৰটো ৩৫·৯৪ কোটি টকা ঘাটি উদ্বৃত্তৰে সামৰণি পৰাৰ সম্ভাৱনা আছে। চলিত বছৰত ঘাটিৰ পৰিমাণ এইখিনি বৃদ্ধি পোৱাৰ ঘাই কাৰণ হল বছৰটোত হোৱা অতিৰিক্ত দেনা (liabilites).

২৩। চলিত বছৰৰ সংশোধিত প্ৰাক্কলন শিতানত ৰাজহ আয় মুঠ ১৫·৭২ কোটি টকাৰ বৃদ্ধিৰে বাজেট প্ৰাক্কলনত ৪৪১·২৫ কোটি টকাৰ পৰা ৪৫৬·৯৭ কোটি টকাত নিৰ্দ্ধাৰণ কৰা হৈছে। কেন্দ্ৰীয় উৎপাদন শুল্ক (union excise duties) ত ৰাজ্যৰ অংশ নিৰ্দ্ধাৰণত ৪·১৩ কোটি টকা হ্ৰাসৰ লগতে এই বৃদ্ধি হৈছে ঘাইকৈ কৰ ৰাজহ (৫·৭১কোটি টকা), সহায়ক অনুদান (১৪·১৪ কোটি টকা) শিতানত।

২৪। ৰাজহ ব্যয়ৰ ঘৰত ৩৫·১০ কোটি টকা বৃদ্ধিয়ে চলিত বছৰৰ সংশোধিত প্ৰাক্কলন শিতানত বাজেট প্ৰাক্কলন ৪৭৩·৪১ কোটি টকাৰ পৰা ৫০৮·৫১ কোটি টকা হৈছে।

সংশোধিত নিৰ্দ্ধাৰণৰ অধীনত অতিৰিক্ত ব্যয়ৰ ভিতৰত আছে ঘাইকৈ নিৰ্বাচনৰ সংক্ৰান্তত আইন-শৃংখলা অটুট ৰাখিবৰ বাবে আৰক্ষী বিভাগে কৰা ব্যয় (৯·৫৭ কোটি টকা), বানপীড়িতক সাহায্যদান (৪·০১ কোটি টকা) আৰু ৰাজ্যখনৰ সাম্প্ৰতিক অশান্ত পৰিস্থিতিত দুৰ্গত হোৱা লোকক সাহায্যদান(১০ কোটি টকা)। চলিতবছৰত অতিৰিক্ত ঋণদায়িত্বৰ additional liability) ভিতৰত আছে ভাৰতীয় ৰিজাৰ্ভ বেংকৰপৰা লোৱা অ'ভাৰ ড্ৰাফট্ এডভান্সৰ বাবে পৰিশোধ কৰিবলগীয়া সুদ ৫·১৯ কোটি টকা। এই অতিৰিক্ত ব্যয়ৰ এটা অংশৰ ক্ষেত্ৰত যেনেঃ আৰক্ষী বিভাগৰ বাবে ৩·১০ কোটি টকা আৰু প্ৰাকৃতিক দুৰ্যোগৰ বাবে ৪·০১ কোটি টকাৰ বাবদ সংবিধানৰ ৩৫৭ (১) (গ) অনুচ্ছেদ অনুসৰি দিয়া ৰাষ্ট্ৰপতিৰ নিৰ্দ্দেশৰ দ্বাৰা আগতেই কৰ্তৃত্ব দি থোৱা হৈছে। আগধন আৰু অভাৰড্ৰাফটৰ লেঠা নিষ্পত্তি কৰিবৰ বাবে ভাৰতীয় ৰিজাৰ্ভ বেংকক ১৩৭·৮৫ কোটি টকা পৰিশোধ কৰা বাবেই মূলধনৰ ক্ষেত্ৰত সংশোধিত প্ৰাককলন ৪৭৮·০৫ কোটি টকাৰ পৰা বাঢ়ি গৈ ৬২১·০৯ কোটি টকা হ'লগৈ।

বাজেট ১৯৮৩-৮৪

২৫। চলিত বছৰত ৩৫·৯৪ কোটি টকাৰ আনুমানিক ঘাটি উদবৃত্তৰে আৰম্ভ কৰি ১৯৮৩-৮৪ চনৰ বাজেটখন ১৪৫·৯৫ কোটি টকা ঘাটি উদবৃত্তৰে

সামৰাৰ কথা ভবা হৈছে। চলিত বছৰৰ বাজেট প্ৰাক্‌কলনত ৰাজহ হিচাপত ঘাটি ঋণাত্মক ৩২'১৬ কোটি টকাৰ পৰা বাঢ়ি গৈ সংশোধিত প্ৰাককলন ঋণাত্মক ৫১'৫৪ কোটি টকা আৰু ১৯৮৩-৮৪ চনত ঋণাত্মক ১০৯'৭৮ কোটি টকা দেখুওৱা হৈছে। চলিত বছৰৰ ৪৫৬'৯৭ কোটি টকাৰ সংশোধিত প্ৰাক্‌কলনৰ বিপৰীতে ১৯৮৩-৮৪ চনৰ বাবে ৰাজহ আয় ৪৭১'৫৮ কোটি টকা হব বুলি নিৰ্দ্ধাৰণ কৰা হৈছে।

চলিত বছৰৰ সংশোধিত নিৰ্দ্ধাৰণতকৈ কৰ ৰাজহত বৃদ্ধি ধৰা হৈছে ১০'৭০ কোটি টকা, কৰ বিহীন ৰাজহ ১'৮৬ কোটি টকা আৰু ভাৰত চৰকাৰৰ পৰা পোৱা সাহায্য মঞ্জুৰী ২'০৫ কোটি টকা।

২৬। অহা বছৰত একত্ৰিত নিধিৰ পৰা হোৱা মুঠ ব্যয় ১১৯২'৩৭ কোটি টকা ধাৰ্য্য কৰা হৈছে। ইয়াৰ ভিতৰত ৰাজহ শিতানত ৫৮১'৩৬ কোটি টকা আৰু মূলধনী শিতানত ৬১১'০১ কোটি টকা ধৰা হৈছে। চলিত বছৰত সংশোধিত নিৰ্দ্ধাৰণতকৈ ৰাজহ হিচাপত ব্যয় ৭২'৮৫ কোটি টকা বৃদ্ধি পাব। চলিত বছৰৰ সংশোধিত নিৰ্দ্ধাৰণতকৈ সমাজ কল্যাণ সেৱাত ৩৩'৫০ কোটি টকা, সাধাৰণ সেৱাত ২৪'৯৫ কোটি টকা আৰু অৰ্থনৈতিক সেৱাত ১৪'৩৪ কোটি টকা ঘাইকৈ বৃদ্ধি পাব।

সুদ পৰিশোধত ১০'২৭ কোটি টকা, আৰক্ষী বিভাগত ৩'৬৪ কোটি টকা, অন্য প্ৰশাসনীয় আৰু অন্যান্য সেৱা সমূহত ৬'১৫কোটি টকা আৰু বিত্তীয় সেৱাত ২'৬২ কোটি টকাৰ ব্যয় ঘাইকৈ বঢ়াৰ কাৰণেই অহা বছৰত সাধাৰণ সেৱা সমূহত ব্যয় বৃদ্ধি পাব। শিক্ষাৰ ক্ষেত্ৰত ২৭'১৯ কোটি টকা, সামাজিক নিৰাপত্তা আৰু কল্যাণ মূলক সেৱা সমূহত ৫'২৬ কোটি টকা ব্যয় বৃদ্ধি পোৱাৰ হেতুকেই সামাজিক সেৱা সমূহত ব্যয় বৃদ্ধি হৈছে। জলসিঞ্চনৰ ক্ষেত্ৰত ৪'২২ কোটি টকা, ৰাস্তা আৰু দলঙত ৩'২৫ কোটি টকা, কৃষিত ১'০৫ কোটি টকা, পশু পালনত ১'৪১ কোটি টকা, গ্ৰাম্য আৰু ক্ষুদ্ৰ উদ্যোগ সমূহত ১'০৯ কোটি টকা, সমূহীয়া উন্নয়নত ১'৩৭ কোটি টকা ব্যয় বৃদ্ধি হোৱা হেতুকেই অৰ্থনৈতিক সেৱাসমূহত ব্যয় বৃদ্ধি হয়। ৰাজহ শিতানৰ উপৰোক্ত বৰ্দ্ধিত ব্যয়ে দৰ্মহা আয়োগৰ অনুমোদন অনুসৰি চৰকাৰী চাকৰিয়ালসকলৰ সম্ভাব্য দৰ্মহা বৃদ্ধি সামৰি লব।

২৭। চলিত বছৰৰ সংশোধিত হিচাপত ধাৰ্য কৰা ৬২১'০৯ কোটি টকাৰ বিপৰীতে অহা বছৰটোত মূলধনী হিচাপৰ ওপৰত ব্যয় নিৰ্দ্ধাৰণ কৰা হৈছে ৬১১'০১ কোটি টকা। চলিত বছৰৰ নিৰ্দ্ধাৰণত যোৱা বছৰৰ অ'ভাৰড্ৰাফ্‌টকে ধৰি ভাৰতীয় ৰিজাৰ্ভ বেংকৰ পৰা লোৱা আগধনৰ উচ্চতৰ পৰিশোধ দেখুওৱা হেতুকেই অহাবছৰৰ নিৰ্দ্ধাৰণ কমি গৈছে। ৰাজহুৱা হিচাপত প্ৰায় ১২ কোটি টকা ৰাহি হব বুলি নিৰ্দ্ধাৰণ কৰা হেতুকে ৰাজহ শিতানৰ বাহিৰত মুঠ লেন দেনৰ পৰিমাণ ২৩ লাখ টকাৰ যৎসামান্য ঘাটি পৰিলক্ষিত হব বুলি নিৰ্দ্ধাৰণ কৰা হৈছে।

২৮। ৰাজহুৱা হিচাপ আৰু আকস্মিক নিধিৰ মুঠ লেন-দেনকে ধৰি ৰাজহ আৰু মূলধনী হিচাপৰ উভয় শিতানত ১৯৮৩-৮৪ চনৰ বছৰটোত প্ৰকৃত

চলিত লেন দেনৰ পৰিমাণত ১১০.০১ কোটি টকা ঘাটি দেখা যাব বুলি নিৰ্দ্ধাৰণ কৰা হৈছে। ইয়াৰ লগতে আৰম্ভণিৰ উদ্বৃত্ত ৩৫.৯৪ কোটি টকাৰ ঘাটি উদ্বৃত্ত ধৰিলে ১৯৮৩-৮৪ চনৰ বছৰটো ১৪৫.৯৫ কোটি টকা ঘাটি উদ্বৃত্তৰে সামৰণি পৰিব বুলি অনুমান কৰা হৈছে।

ঋণাৱস্থা

২৯। ৩১।৩।৮২ তাৰিখলৈকে ৰাজ্য চৰকাৰৰ ঋণাৱস্থা আছিল ৯৬৪.২০ কোটি টকা আৰু ৩১।৩।৮৩ তাৰিখলৈ ১১৭৯.৭৬ কোটি টকালৈ বৃদ্ধি পাব বুলি অনুমান কৰা হৈছে। ৰাজ্যখনৰ সম্বলৰ ক্ষেত্ৰত থকা পৰিকল্পনা বহিৰ্ভূত ব্যয় বহন আৰু অভাৱ ড্ৰাফ্‌ট পৰিশোধৰ হেতু লোৱা ঋণৰ বাবেই ঘাইকৈ এই ব্যয় বৃদ্ধি হৈছে। বিশেষ উন্নয়নমূলক কামৰ বাবে লোৱা ঋণে মূলধন গঠনত যেনেকৈ সহায়তা কৰাৰ সম্ভাৱনা থাকে, আনহাতে অনুন্নয়নমূলক কামৰ বাহিৰত লোৱা ঋণে ৰাজ্যখনৰ অৰ্থনীতিত বিৰূপ প্ৰতিক্ৰিয়া কৰাৰো সম্ভাৱনা থাকে।

বিত্তীয় আয়োগ

৩০। ৰাজ্য চৰকাৰে ইতিমধ্যে অষ্টম বিত্তীয় আয়োগৰ ওচৰত নিজৰ স্মাৰক পত্ৰ দাখিল কৰিছে। এই চৰকাৰে অনতিবিলম্বে ৰাজ্যখনৰ সুদীৰ্ঘ দিন ধৰি অৱহেলিত হৈ থকা প্ৰয়োজনীয়তা সমূহৰ কথা আয়োগৰ লগত আলোচনা কৰিব আৰু আমি আশা কৰো যে বিত্ত আয়োগে অসমৰ বিষয়টো বিশেষ যত্ন সহকাৰে বিবেচনা কৰিব।

৩১। অসহযোগ, বন্ধ আদিত কামৰ ক্ষতি আৰু সময়ৰ নাটনিৰ বাবেই বিস্তৃত বাজেট প্ৰাককলন পৰম্পৰা গত প্ৰথাৰে উথাপন কৰা মোৰ বাবে সম্ভৱ হৈ নুঠিল। সেই কাৰণে বাজেটখন কেন্দ্ৰীয় বাজেটৰ আৰ্হিত সংক্ষিপ্ত কৈ দাঙি ধৰা হৈছে। মাননীয় সদস্য সকলৰ বিবেচনাৰ বাবে ইয়াৰ বিশদ বিৱৰণ গোটেই বছৰটোৰ বাজেট আলোচনাৰ সময়ত যোগান ধৰা হব।

৩২। ৰাজ্যখনৰ অৰ্থনীতি পুনৰুত্থান কৰিবৰ বাবে চৰকাৰৰ উদ্বিগ্নতা সম্পৰ্কে মাননীয় সদস্যসকলে নিশ্চয় হৃদয়ঙ্গম কৰিব পাৰিছে। অহা বছৰটোত বৃহৎ পৰিমাণৰ ঘাটিৰ পৰিপ্ৰেক্ষিতত আমি সম্পদৰ অসমতা অতিক্ৰম কৰিবৰ বাবে সুসংহত প্ৰচেষ্টা গ্ৰহণ কৰিব লাগিব। নতুনকৈ কৰ-কাটল লগোৱাৰ কথা এই সন্ধিক্ষণত ভবা হোৱা নাই। প্ৰশাসনত পৰিকল্পনা বহিৰ্ভূত আৰু অনাৱশ্যকীয় সকলো ব্যয় কঠোৰ ভাৱে হ্ৰাস কৰিব লাগিব আৰু প্ৰাপ্তি সাধ্য সকলো সম্পদ ৰাজ্যখনৰ উন্নয়নৰ বাবে কঠোৰ মিতব্যয়ীতাৰে আৰু বিচক্ষনতাৰে প্ৰয়োগ কৰিব লাগিব।

৩৩। ৰাজ্যখনলৈ পূৰ্ণ স্বাভাবিক অৱস্থা ঘূৰাই আনি ইয়াক সকলো দিশতে ঐশ্বৰ্য্যশালী কৰি আগবঢ়াই নিয়াৰ গুৰুত্বপূৰ্ণ কাৰ্য্যত মই এই পবিত্ৰ সদনৰ সন্মানিত সদস্যসকলৰ আৰু অসমৰ ৰাইজৰ সৰ্বান্তঃকৰণ আৰু নীৰবচ্ছিন্ন সহযোগ কামনা কৰিছো।

# পৰিশিষ্ট

( হাজাৰ টকাৰ হিচাপত )

| প্ৰকৃত ১৯৮১-৮২ | বাজেট প্ৰাক্কলন ১৯৮২-৮৩ | সংশোধিত প্ৰাক্কলন ১৯৮২-৮৩ | শিতান সমূহ | বাজেট প্ৰাক্কলন ১৯৮৩-৮৪ |
|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ |
| (—) ৪৬,১৪,৫৪ | (—)১২৭,৪৩,০০ | (—)২০,৯৫,৭৭ | আৰম্ভণি উদ্বৃত্ত | (—) ৩৫,৯৩,৯৫ |
| | | | **ক —আয়** | |
| ৩৬২,১৭,৮২ | ৪৪১,২৫,১২ | ৪৫৬,৯৭,৩২ | ৰাজহ আয় | ৪৭১,৫৭,৯৮ |
| ৪৮৫,৯৩,৫৭ | ৬১৬,৩৮,০১ | ৬৫০,০৩,৭৮ | মূলধন আয় | ৫৯৮,৭৬,৩৯ |
| .. | ৩,০৮,০৪ | ৪,৮৭,৭৬ | আকস্মিক নিধিৰ আয় | ৪,০০ |
| ৩৪৪,৫২,৫৪ | ১৯৫,০৪,৪৭ | ২৭২,০৪,৪৭ | ৰাজহুৱা হিচাপৰ অধীনৰ আয় | ২৯৩,০৬,১০ |
| ১১৯২,৬৩,৯৩ | ১২৫৫,৭৫,৬৪ | ১৩৮৩,৯৩,৩৩ | মুঠ আয় | ১৩৬৩,৪৪,৪৭ |
| ১১৪৬,৪৯,৩৯ | ১১২৮,৩২,৬৪ | ১৩৬২,৯৭,৫৬ | সৰ্ব মুঠ | ১৩২৭,৫০,৫২ |
| | | | **খ – ব্যয়** | |
| ৪০৫,৯৯,১৩ | ৪৭৩,৪০,৮৩ | ৫০৮,৫০,৯১ | ৰাজহ শিতানত ব্যয় | ৫৮১,৩৬,২৭ |
| ৩৮৮,৩৮,৫৩ | ৪৭৮,০৫,৪৪ | ৬২১,০৮,৫৪ | মূলধন ব্যয় | ৬১১,০১,০৯ |
| ৩,৮০ | ৩,০৬,৫৮ | ৪,৮৭,৭৬ | আকস্মিক নিধিৰ ব্যয় | .. |
| ৩৭৩,০৩,৭০ | ১৮৮,৪৭,৩০ | ২৬৪,৪৪,৩০ | ৰাজহুৱা হিচাপৰ পৰা হোৱা ব্যয় | ২৮১,০৮,১০ |
| ১১৬৭,৪৫,১৬ | ১১৪৩,০০,১৫ | ১৩৯৮,৯১,৫১ | মুঠ ব্যয় | ১৪৭৩,৪৫,৪৬ |
| (—) ২০,৯৫,৭৭ | (—) ১৪,৬৭,৫১ | (—) ৩৫,৯৩,৯৫ | সামৰণি উদ্বৃত্ত | (—)১৪৫,৯৪,৯৪ |
| ১১৪৬,৪৯,৩৯ | ১১২৮,৩২,৬৪ | ১৩৬২,৯৭,৫৬ | সৰ্ব মুঠ | ১৩২৭,৫০,৫২ |
| | | | **প্ৰকৃত ফলাফল** | |
| (—) ৪৩,৮১,৩১ | (—) ৩২,১৫,৭১ | (—) ৫১,৫৩,৫৯ | ৰাজহ হিচাপত | (—)১০৯,৭৮,২৯ |
| (+) ৬৯,০০,০৮ | (+)১৪৪,৯১,২০ | (+) ৩৬,৫৫,৪১ | ৰাজহ হিচাপৰ বাহিৰত | (—) ২২,৭০ |
| (+) ২৫,১৮,৭৭ | (+)১১২,৭৫,৪৯ | (—) ১৪,৯৮,১৮ | প্ৰকৃত বাহি (+) প্ৰকৃত ঘাটি (—) | (—)১১০,০০,৯৯ |

অঃ চঃ ছঃ ৩১৫/৮৩—১,০০০ ২০।৩।৮৩